# এই নিৰ্বাচনী জনমতে কি দৰ্শাইছে ?

দিনাংক - ২৪ জানুৱাৰী ২০১৪

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

২০১৪ ৰ সাধাৰণ নিৰ্বাচনৰ বাবে দুটা বিভিন্ন এজেঞ্চীয়ে নিৰ্বাচনৰ জনমত কৰোৱাইছে । মই ইয়াৰ সঠিকতাক বিশ্বাস নকৰো, বিশেষকে যেতিয়া এইবোৰ নিৰ্বাচনৰ ৩/৪ মাহৰ আগতহে কৰোওৱা হয় । তথাপিও এই বিভাগে পৰিচালনা কৰা জনমতৰ বিশ্বাসযোগ্যতা আছে আৰু লগতে ধাৰণা কৰিব পাৰি যে এই সময়ত কিছু কথা অলপ হ'লেও সঠিক হ'ব ।

এই জনমতৰ মতে বি জে পি প্ৰথম স্থানত আছে । লোকসভা নিৰ্বাচনত বি জে পি য়ে ১৮৩ খন আসনতকৈ অধিক আসন এইবাৰ লাভ কৰাৰ সম্ভাৱনা আছে । এই জনমতৰ মতে বি জে পি য়ে নিজৰ বলত লাভ কৰা ১৮৩ খন আসনতকৈও অধিক আসন পাব । বৰ্ত্তমানৰ সহযোগী দ'ল বিশেষকৈ শিৱসেনা আৰু অকালি দ'লৰো আসন বৃদ্ধি হ'ব, আৰু কংগ্ৰেছ দ'লে নূন্যতম আসন লাভ কৰিব যেন লাগিছে । ২০১৪ ৰ লোকসভা নিৰ্বাচনত হয়তো তেওঁলোকৰ আসন ২ টা সংখ্যা লৈহে সীমিত থাকিব । প্ৰথম স্থানত থকা আৰু দ্বিতীয় স্থানত থকা দ'লৰ আসন লাভ কৰাৰ পাৰ্থক্য বহুত থাকিব ।

দহটা ৰাজনৈতিক দ'ল এনেও থাকিব যি কেৱল ১০ ৰ পৰা ২৫ টা আসনহে লাভ কৰিব । এই সকলো দ'ল একগোট হোৱাটো অসম্ভৱ । এ আই এ ডি এম কে আৰু ডি এম কে, তৃণমূল কংগ্ৰেছ আৰু লেফ্‌ট, বহুজন সমাজ পাৰ্টি আৰু সমাজবাদী পাৰ্টি, এই দ'লসমূহ কেতিয়াও এটাৰ লগত আনটো একগোট হ'ব নোৱাৰে । বি জে পি আৰু এন ডি এ ৰ সহযোগী দ'লৰ বাহিৰে বি জে পি আৰু লেফ্‌টৰ দখল নথকা ৰাজ্যত আন আঞ্চলিক দ'লে ভাল আসন লাভ কৰিব যেন লাগিছে । এ আই এ ডি এম কে, তেলেগুডেচম পাৰ্টি, বিজু জনতা দ'ল, তৃণমূল কংগ্ৰেছ আৰু ৱাই এছ আৰ কংগ্ৰেছ দ'লে নিজৰ নিজৰ আসনৰ সংখ্যা বৃদ্ধি কৰাত সক্ষম হ'ব যেন লাগিছে ।

জনতা দ'ল ইউনাইটেড যি যোৱা ১৭ বছৰৰ পৰা বি জে পি ৰ সহযোগী দ'ল আছিল, যি দ'লে এতিয়া নিজকে বি জে পি ৰ পৰা বিছিন্ন কৰিছে, তেওঁ লোকেও এইবাৰ কম আসন লাভ কৰিব যেন দেখা গৈছে । লোকসভা নিৰ্বাচনত পৰাস্ত হোৱাৰ পাছত হয়তো বিহাৰ চৰকাৰ অস্থিৰ

হৈ পৰিব । ইউ পি এ ৰ সহযোগী দ’ল যেনে- নেচনেল কন্ফাৰেঞ্চ আৰু এন চি পি, নিজৰ ৰাজ্যত বিৰোধী দ’লৰ হাতত আসন হেৰুৱাব যেন লাগিছে ।

উৰিষ্যা আৰু তামিলনাডুত বি জে পি ৰ ভোটৰ সংখ্যা বৃদ্ধি পাইছে । অসমতো দ’লৰ স্থান আগৰ ঠাইতে স্থিৰ হৈ আছে । অন্ধ্রপ্রদেশ আৰু পশ্চিমবংগত বি জে পি পুনঃ দুই সংখ্যাৰ আসন লাভ লৰিব যেন লাগিছে । পূব, মধ্য আৰু পশ্চিম ভাৰতৰ ৰাজ্যসমূহত বি জে পি ৰ ভোটৰ হাৰ বৃদ্ধি হোৱা দেখা গৈছে । ভোটৰ জনমতৰ মতে প্ৰত্যেক ৰাজ্যত বি জে পি ৰ ভোটৰ হাৰতকৈ ১৫ ৰ পৰা ২০ শতাংশ অধিক লোকে নৰেন্দ্ৰ মোডীক প্ৰধানমন্ত্ৰীৰ প্ৰাৰ্থী হিচাপে গ্ৰহণ কৰিছে । বি জে পি শাসিত ৰাজ্যত দ’লক মজবুত কৰোৱাত আৰু ভোটৰ হাৰ বৃদ্ধি কৰোৱাত তেওঁৰ সামৰ্থ্য স্পষ্ট হৈ পৰিছে । তামিলনডুত ১৭ শতাংশ আৰু উৰিষ্যাত ২৫ শতাংশ ভোটৰ সংখ্যা বৃদ্ধি কৰোৱা কথাই ইয়াকেই প্ৰমাণিত কৰিছে ।

তেনেহ’লে চৰকাৰ কোনে গঠন কৰিব ? বি জে পি আৰু এন ডি এ ৰ বাহিৰে আন কোনো দ’ল আছেনে ?

সৰু সৰু দ’ল সমূহে এখন স্থিৰ চৰকাৰ দিব নোৱাৰে । যি কি নহওঁক তেওঁলোকৰ চৰকাৰ গঠনৰ বাবে পৰ্য্যাপ্ত সংখ্যা নাপাব । দুই সংখ্যাৰ আসন লাভ কৰা কংগ্ৰেছ দ’ল বেলেগ দ’লৰ সহযোগীহে হৈ পৰিব । ই মিত্ৰ দ’ল সমূহৰ মুখ্য দ’ল হ’ব নোৱাৰে । এক স্থিৰ চৰকাৰ কেৱল বি জে পি আৰু এন ডি এ য়েহে দিব পাৰিব । এই জনমতৰ মতে অটল জীয়ে গঠন কৰা এন ডি এ আৰু বেছি শক্তিশালী হৈ পৰিব । এন ডি এ ক শক্তিশালী কৰা আন সহযোগী দ’লেও এইবাৰ ভাল ফলাফল দেখুৱাব । আৰু এন ডি এৰ সৈতে সহযোগী বিভিন্ন আঞ্চলিক দ’লে ইয়াক আৰু অধিক শক্তিশালী কৰি তুলিছে । এনেধৰণৰ দ’লৰ গাঠঁনিয়ে প্ৰকৃততে ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ৰাজনীতি প্ৰস্তুত কৰে ।

নিৰ্বাচনৰ আগমুহূৰ্ত্তত সিদ্ধন্ত ল’ব পৰা নেতৃত্ব, অৰ্থনীতিৰ পুনঃজীৱিত কৰা আৰু দুৰ্নীতিক নিঃশেষ কৰাই মূল বিষয় হ’ব । এনে জনমতে দেখুৱাইছে যে জনসাধাৰণৰ মাজতো স্থিৰ চৰকাৰৰ বিষয়টো মগজুত সোমাই পৰিছে । বি জে পি ৰ আৰু বৃহৎ এন ডি এ ৰ বাদে কোনে স্থিৰ চৰকাৰ দিব পাৰিব ?